# গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালবিষয়ক অসমীয়া লোক-বাক্‌ভংগী

[১]ড° মণিকা চুতীয়া, *[২]ড° জ্যোতিৰেখা হাজৰিকা
[১]অসমীয়া বিভাগ
দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়, দেৰগাঁও
পিন ঃ ৭৮৫৬১৪, গোলাঘাট, অসম
[২]অসমীয়া বিভাগ
জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ), যোৰহাট
পিন ঃ ৭৮৫০০১, যোৰহাট, অসম
**Correspondence :* E-mail : jyotirekhajb@rediffmail.com

**সংক্ষিপ্তসাৰ ঃ**

সন্তানে গৰ্ভত থিতাপি লোৱাৰেপৰা প্ৰসৱোত্তৰ সময়লৈকে নাৰী এগৰাকীয়ে ভালেমান শাৰীৰিক-মানসিক পৰিৱৰ্তনৰ মাজেৰে গতি কৰিবলগীয়া হয়। সন্তান-জন্মদায়িনী ৰূপটোৱে এগৰাকী নাৰীৰ জীৱনক সমৃদ্ধ কৰাৰ লগতে এখন সমাজকো গতিশীলতা প্ৰদান কৰে। সেয়েহে পৃথিৱীৰ সকলো লোকসমাজতে সন্তানে গৰ্ভত থিত লোৱাৰপৰা সন্তান জন্মৰ পাছলৈকে নাৰী জীৱনৰ এই বিশেষ সময়খিনিক বিভিন্ন পৰম্পৰা বিশেষ ৰীতি-নীতিৰে উদ্‌যাপন কৰা হয়। অসমীয়া লোকসমাজো ইয়াৰ ব্যতিক্ৰম নহয়। লোক-সংস্কৃতি অধ্যয়নৰ তাত্ত্বিক দৃষ্টিৰে বিচাৰ কৰিলে দেখা যায় যে, অসমীয়া লোকসমাজতো নাৰীৰ গৰ্ভধাৰণ আৰু প্ৰসৱোত্তৰবিষয়ক ভালেমান বিশেষ ৰীতি-নীতি, লোকাচাৰ (যেনে ঃ সন্তানসম্ভৱা নাৰীক পঞ্চামৃত খাবলৈ দিয়া, গৰ্ভাৱস্থাৰ সাত মাহ, ন মাহত সকাম পতা আদি), লোকবিশ্বাস (যেনে ঃ সন্তানসম্ভৱা মহিলাক অমিতা, মাটিকঁঠাল খাবলৈ বাৰণ কৰা, প্ৰাণী বধ কৰিবলৈ বাধা প্ৰদান, সন্তান জন্মৰ লগে লগে দুৱাৰমুখত বগৰীজেং,তাঁতশালৰ ছিৰি ৰখা, সৰিয়হ, লোহানিৰ্মিত কটাৰীজাতীয় অস্ত্ৰ প্ৰসূতিৰ লগত ৰখা আদি) তথা বিভিন্ন লোক-বাক্‌ভংগী প্ৰচলিত হৈ আহিছে। উল্লেখযোগ্য যে এনেধৰণৰ লোকাচাৰ, লোক-বাক্‌ভংগীসমূহ ঘাইকৈ নাৰীসমাজৰ মাজত প্ৰচলিত; ইয়াত পুৰুষৰ অংশগ্ৰহণ অতি সীমিত।





আলোচ্য গৱেষণাপত্ৰত অসমীয়া লোকসমাজত প্ৰচলিত নাৰীৰ গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰবিষয়ক লোক-বাক্‌ভংগীক লোক-সাংস্কৃতিক প্ৰেক্ষাপটৰ আধাৰত সমাজ-ভাষাতত্ত্বৰ দৃষ্টিৰে আলোচনা কৰা হ'ব। এই অধ্যয়নে সামাজিক লিংগ (gender)আধাৰিত ভাষিক প্ৰকাশ হিচাপে এনে লোক-বাকভংগীক বিশ্লেষণ কৰাৰ লগতে এনে বাক্‌ভংগী ব্যৱহাৰৰ অন্তৰালত জড়িত হৈ থকা কাৰকসমূহক উন্মোচন কৰিব। আলোচ্য বিষয়ক প্ৰতিষ্ঠাপন কৰিবলৈ ঘাইকৈ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব। আলোচনাৰ বাবে মুখ্য সমল হিচাপে তথ্যদাতাৰপৰা সংগৃহীত তথ্য আৰু নিৰ্বাচিত লোক-বাক্‌ভংগীবিষয়ক গ্ৰন্থক গ্ৰহণ কৰাৰ বিপৰীতে বিভিন্ন গ্ৰন্থ-আলোচনী আদিত প্ৰকাশিত তথ্যক গৌণ সমল হিচাপে বিবেচনা কৰা হ'ব। এই অধ্যয়নে সাম্প্ৰতিক সময়ৰ অসমীয়া লোক-সমাজৰ প্ৰেক্ষাপটত লাহে লাহে হেৰাই যোৱাৰ উপক্ৰম হোৱা অসমীয়া ভাষাৰ জতুৱা প্ৰকাশভংগী হিচাপে এনে লোক-বাক্‌ভংগীক নৱ- মূল্যায়ন কৰাৰ বাট মুকলি কৰিব।

***বীজ শব্দ ঃ** লোক- বাক্‌ভংগী, অসমীয়া সমাজ-মনস্তত্ত্ব, সামাজিক লিংগ, নিষিদ্ধ শব্দ (টেবু), গৰ্ভধাৰণ, প্ৰসৱকালীন আৰু প্ৰসৱোত্তৰ কাল।*

**অৱতৰণিকা ঃ**

লোকসমাজত এগৰাকী নাৰীৰ গৰ্ভধাৰণ আৰু সন্তান জন্মৰ প্ৰক্ৰিয়াটোক এক স্বাভাৱিক পৰিঘটনা হিচাপে গণ্য কৰা হয়। সেয়ে হ'লেও এই পৰিঘটনাই নাৰী এগৰাকীৰ মানসিক তথা শাৰীৰিক স্বাস্থ্যত যথেষ্ট প্ৰভাৱ পেলায়। সাধাৰণতে, সন্তানে গৰ্ভত থিতাপি লোৱাৰেপৰা প্ৰসৱোত্তৰ সময়লৈকে নাৰী এগৰাকীয়ে ভালেমান শাৰীৰিক-মানসিক পৰিৱৰ্তনৰ মাজেৰে গতি কৰিবলগীয়া হয়। সেয়েহে, নাৰী এগৰাকীৰ গৰ্ভধাৰণ আৰু প্ৰসৱোত্তৰকালীন স্বাস্থ্যৰ সৈতে নাৰীগৰাকীয়ে এই বিশেষ সময়খিনিত অতিক্ৰম কৰিবলগীয়া সকলোধৰণৰ শাৰীৰিক আৰু মানসিক দিশ জড়িত হৈ থাকে। তদুপৰি সমাজ তথা পৰিয়ালৰ ভূমিকায়ো সন্তানসম্ভৱা নাৰী এগৰাকীৰ শাৰীৰিক তথা মানসিক স্বাস্থ্যক প্ৰভাৱান্বিত কৰে। উল্লেখযোগ্য যে, পৃথিৱীৰ সকলো লোকসমাজতে সন্তানে গৰ্ভত থিত লোৱাৰেপৰা সন্তান জন্মৰ পাছলৈকে নাৰী জীৱনৰ এই বিশেষ সময়খিনিক বিভিন্ন পৰম্পৰা-ৰীতি-নীতিৰে উদ্‌যাপন কৰা হয়। অসমীয়া লোকসমাজো ইয়াৰ ব্যতিক্ৰম নহয়। সন্তানসম্ভৱা নাৰীগৰাকী আৰু গৰ্ভস্থ সন্তানৰ মংগল কামনাৰে এই সময়খিনিত ভিন ভিন বিশেষ ৰীতি-নীতি, লোকাচাৰ (যেনে— সন্তানসম্ভৱা নাৰীক পঞ্চামৃত খাবলৈ দিয়া, গৰ্ভাৱস্থাৰ সাত মাহ, ন মাহত সকাম পতা আদি), লোকবিশ্বাস (যেনে— সন্তানসম্ভৱা মহিলাক অমিতা, মাটিকঁঠাল খাবলৈ বাৰণ কৰা, প্ৰাণী বধ কৰিবলৈ বাধা প্ৰদান, সন্তান জন্মৰ লগে লগে দুৱাৰমুখত বগৰীজেং, তাঁতশালৰ ছিৰি ৰখা, সৰিয়হ, লোহানিৰ্মিত কটাৰীজাতীয় অস্ত্ৰ প্ৰসূতিৰ লগত ৰখা আদি) তথা বিভিন্ন লোক-বাক্‌ভংগী প্ৰচলিত হৈ আহিছে। সাধাৰণতে দেখা যায় যে, এনেধৰণৰ লোকাচাৰ, লোক-বাক্‌ভংগীসমূহ ঘাইকৈ নাৰীসমাজৰ মাজত প্ৰচলিত; ইয়াত পুৰুষৰ অংশগ্ৰহণ অতি সীমিত। ইয়াৰ অন্তৰালত অসমীয়া লোকসমাজৰ সামাজিক লিংগ নিৰ্মাণৰ প্ৰসংগ অন্যতম কাৰক হিচাপে ক্ৰিয়াশীল হৈ আছে বুলি ধাৰণা কৰিব পৰা যায়। কিয়নো অসমীয়া লোকসমাজে ব্যক্তিৰ সামাজিক পৰিচয় আৰু স্থিতি নিৰ্মাণৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ বাবে সুকীয়া সুকীয়া ধাৰণাৰ পোষকতা কৰি আহিছে।[১] পৰম্পৰাগতভাৱে অসমীয়া লোক-সমাজত প্ৰচলিত এনে ধাৰণাৰ বাবেই নাৰী এগৰাকীৰ গৰ্ভাৱস্থা আৰু প্ৰসৱকালীন সময়খিনিৰ

সৈতে জড়িত বিষয়সমূহকো পুৰুষসকলৰপৰা আঁতৰাই কেৱল নাৰীসকলৰ মাজতে সীমাবদ্ধ থাকিবলগীয়া বিষয় হিচাপে গণ্য কৰা হৈছিল। সন্তান জন্মৰ পূৰ্বে আয়োজন কৰা ন-মহীয়া অনুষ্ঠানত সন্তানসম্ভৱা নাৰী এগৰাকীক পিৰালিৰ কুকুৰ-মেকুৰীয়ে গম নোপোৱাকৈ প্ৰসৱ হ'বলৈ দিয়া আশীৰ্বাদৰ প্ৰসংগ এইক্ষেত্ৰত বিশেষভাৱে লক্ষ্যণীয়।[২]

বিশ্ব স্বাস্থ্য সংস্থাই ২০২৩ বৰ্ষত আগবঢ়োৱা মত অনুসৰি স্বাস্থ্যৰ ধাৰণাই এজন ব্যক্তিৰ শাৰীৰিক, মানসিক আৰু সামাজিক ৰোগহীনতাক নিৰ্দেশ কৰে।[৩] আনহাতে, সাম্প্ৰতিক সময়ত সৰ্বভাৰতীয় পৰ্যায়ত প্ৰসূতি আৰু শিশুৰ মৃত্যুৰ হাৰ অসমত সৰ্বাধিক বুলি স্বাস্থ্যবিষয়ক গৱেষণাসমূহত প্ৰকাশ পাইছে।[৪] এনে প্ৰেক্ষাপটত অসমীয়া লোকসমাজৰ লগতে অসমৰ জনজাতীয় লোকসমাজত নাৰী এগৰাকীৰ গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালক কিদৰে গ্ৰহণ কৰা হয় তথা প্ৰসূতিৰ স্বাস্থ্যক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে প্ৰভাৱান্বিত কৰা দিশসমূহক বিশ্লেষণ কৰাৰ অৱকাশ আছে।

ভাবৰ আদান-প্ৰদানৰ সুচলতা প্ৰদানৰ লগতে ভাষাই একোখন সমাজৰ মনস্তত্ত্বকো প্ৰতিফলিত কৰে। অৰ্থাৎ ভাষাই দুটা স্তৰত কাৰ্য সাধন কৰে। ইয়াৰে প্ৰথম স্তৰত ভাষাই, ভাবৰ আদান-প্ৰদানৰ মাধ্যম হিচাপে আৰু দ্বিতীয় স্তৰত, সামাজিক প্ৰমূল্য বহনকাৰী মাধ্যম হিচাপে কাৰ্য সাধন কৰে। ভাষাই দ্বিতীয় স্তৰত সাধন কৰা কাৰ্যক সমাজ-ভাষাবিজ্ঞানৰ পৰিসৰত অধ্যয়ন কৰা হয়। সমাজ-ভাষাবিজ্ঞানে ভাষাই বহন কৰা সামাজিক প্ৰমূল্যক বিশ্লেষণ কৰিবৰ বাবে একোখন সমাজৰ সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটক আধাৰ হিচাপে গ্ৰহণ কৰে। ৰিচাৰ্ড এম. ডৰচনে লোকসাহিত্যৰ বিভাজন কৰিবলৈ গৈ প্ৰবাদ, প্ৰবচন, লোকোক্তি আদিক লোকভাষা বা লোক-বাক্‌ভংগী হিচাপে লোকসাহিত্যৰ ক্ষুদ্ৰ বিভাগ (Minor Genre)ৰূপে নিৰ্দেশ কৰিছে।[৫] এনেবোৰ সমলক বিশেষ একোখন লোকসমাজৰ আধাৰত বিচাৰ কৰিলেহে সেই লোকসমাজৰ জীৱন-বীক্ষা, বিশ্ব-বীক্ষা আৰু লোক-প্ৰজ্ঞাক সঠিকভাৱে বিশ্লেষণ কৰিব পৰা যায়। সেয়েহে লোক- বাক্‌ভংগীক সমাজ ভাষাবিজ্ঞান আৰু লোকসংস্কৃতি অধ্যয়নৰ মধ্যৱৰ্তী বিষয় হিচাপে বিশ্লেষণ কৰা হয়। সেই দিশৰপৰা অসমীয়া লোকসমাজত প্ৰচলিত প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনা, ডাকৰ বচন আদিক লোক-বাক্‌ভংগীৰ সমল হিচাপে বিশ্লেষণ কৰিব পৰা যায়। উদাহৰণস্বৰূপে অসমীয়া লোকসমাজত নাৰীৰ গৰ্ভধাৰণৰপৰা প্ৰসৱোত্তৰ কালছোৱালৈকে— এই সময়খিনিক বুজাবৰ বাবে পৰম্পৰাগতভাৱে ভালেসংখ্যক প্ৰকাশভংগী ব্যৱহৃত হৈ আহিছে, যাৰ আধাৰত অসমীয়া লোকসমাজে গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়খিনিৰ প্ৰতি পোষণ কৰা ধাৰণাক সহজে অনুধাৱন কৰিব পৰা যায়।

**০.০১ পূৰ্বকৃত সাহিত্য-সমীক্ষা ঃ**

অসমীয়া প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, জতুৱা খণ্ডবাক্যবিষয়ক সমলৰ পদ্ধতিগত সংগ্ৰহ মিছনেৰিসকলৰ দিনৰেপৰা আৰম্ভ হৈছিল। বৰ্তমান সময়লৈকে লোক-সাহিত্যৰ এই বিভাগটিৰ সন্দৰ্ভত ১৮৭৭ চনত শিৱসাগৰৰপৰা প্ৰকাশিত শ্ৰীমতী এইচ্ বি এল কট্টাৰৰ *Phrases in English and Assamese* শীৰ্ষক অধুনালুপ্ত গ্ৰন্থখনকে এই দিশৰ প্ৰথম চৰ্চা হিচাপে ধৰা হয়।[৬] পৰৱৰ্তী সময়ত, কেপ্টেইন পি. আৰ. গৰ্ডনৰ ১৮৯৬ চনত প্ৰকাশিত *Some Assamese Proverbs* গ্ৰন্থখনে বিজ্ঞানসন্মত তথা পদ্ধতিগতভাৱে ফকৰা-যোজনাসমূহক আলোচনা কৰে। তেওঁ মুঠ ৩৬০টা ফকৰা-যোজনা সংগ্ৰহ কৰি ন-টা ভাগত ভগাই আলোচনা কৰিছে। এনেদৰে আলোচনা কৰোঁতে তেওঁ ৰোমান আৰু অসমীয়া লিপিৰে ফকৰা-যোজনাসমূহ লিপিবদ্ধ কৰি অৰ্থবোৰ ইংৰাজী ভাষাৰে বৰ্ণনা কৰিছে। ইয়াৰ





পাছৰেপৰা অসমীয়া ব্যক্তিসকলৰ উদ্যোগতো প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদি সংগ্ৰহ তথা প্ৰকাশ কৰা হয়।

এনে কেইখনমান লেখত ল'বলগীয়া তথা এই অধ্যয়নত প্ৰধান সমল হিচাপে গ্ৰহণ কৰা গ্ৰন্থ হৈছে— প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ *অসমীয়া প্ৰবচন*, চন্দ্ৰধৰ বৰুৱাৰ *ৰত্নকোষ* (প্ৰথম আৰু দ্বিতীয় খণ্ড), সৰ্বেশ্বৰ ৰাজগুৰুৰ *অসমীয়া প্ৰবাদ*, বেণুধৰ ৰাজখোৱাৰ *অসমীয়া খণ্ডবাক্য-কোষ*, হৰেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া বচন-ভঙ্গী*, অতুল চন্দ্ৰ বৰুৱাৰ *ডাকে বোলা শুনা উপায়*, নবীন চন্দ্ৰ শৰ্মা সম্পাদিত *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা*। উল্লিখিত আটাইকেইখন গ্ৰন্থৰ ভিতৰত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ *অসমীয়া প্ৰবচন* গ্ৰন্থখন ত্ৰিভাষিক। এই গ্ৰন্থখনত অসমীয়া ভাষাৰ প্ৰতিটো প্ৰবচন ইংৰাজী আৰু সংস্কৃত ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে, গ্ৰন্থখনত সন্নিৱিষ্ট প্ৰতিটো প্ৰবচন দেৱনাগৰী লিপিলৈকো লিপ্যন্তৰ কৰা হৈছে। মুখ্য সমল হিচাপে গ্ৰহণ কৰা এই গ্ৰন্থসমূহত নাৰীৰ গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালৰ সৈতে জড়িত ভালেখিনি ফকৰা-যোজনা, প্ৰবাদ আদি সন্নিৱিষ্ট হৈছে।

লোক-সংস্কৃতি আৰু সমাজ-ভাষাবিজ্ঞানৰ তাত্ত্বিক অধ্যয়নৰ বাবে গ্ৰহণ কৰা Richard M. Dorson সম্পাদিত *Folklore and Folklife: An Introduction*, Jane Sunderland অৰ *Language and Gender*, Peter Trudgill ৰ *Sociolinguistics*, আশিস কুমাৰ দে আৰু সনৎ কুমাৰ মিত্ৰ সম্পাদিত *লোকভাষা*শীৰ্ষক গ্ৰন্থৰ সহায় লোৱা হৈছে। এই সকলো গ্ৰন্থতে লোক-বাকভংগীৰ প্ৰয়োগৰ সৈতে সমাজ-মনস্তত্ত্বৰ সম্পৰ্কক ভিন্ন দিশৰপৰা বিশ্লেষণ কৰা হৈছে।

**০.০২ উদ্দেশ্য আৰু লক্ষ্য ঃ**

এই অধ্যয়নে গুৰুত্ব দিবলগীয়া উদ্দেশ্য আৰু লক্ষ্যসমূহ হৈছে—

(ক) অসমীয়া লোকসমাজত নাৰীৰ গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালক বুজাবৰ বাবে প্ৰয়োগ হোৱা সুকীয়া সুকীয়া বৈশিষ্ট্যপূৰ্ণ লোক বাক্‌ভংগীৰ প্ৰয়োগৰ অন্তৰালত নিহিত সমাজ-মনস্তাত্ত্বিক কাৰকসমূহৰ বিশ্লেষণ।

(খ) সামাজিক লিংগ আধাৰিত ভাষা হিচাপে এনেধৰণৰ লোক বাক্‌ভংগীৰ প্ৰয়োগ বিশ্লেষণ।

(গ) অসমীয়া ভাষাৰ জতুৱা প্ৰকাশ-ভংগী হিচাপে প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদিৰ প্ৰয়োগ বৈচিত্ৰ্য বিচাৰ।

**০.০৩ পূৰ্বানুমান ঃ**

এই অধ্যয়নে উন্মোচিত কৰিবলগীয়া দিশসমূহ হৈছে—

(ক) অসমীয়া ভাষাত গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালক বুজাবৰ বাবে প্ৰয়োগ হোৱা লোক-বাক্‌ভংগীৰ প্ৰয়োগ বৈচিত্ৰ্য।

(খ) সামাজিক লিংগ নিৰ্মাণৰ প্ৰসংগই এনে বাকভংগীত বিস্তাৰ কৰা প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ।

(গ) অসমীয়া লোকসমাজত গৰ্ভৱতী মহিলা আৰু প্ৰসূতি স্বাস্থ্যৰ সৈতে লোকাচাৰ-লোকবিশ্বাস আৰু লোক-পৰম্পৰাসমূহ।

**০.০৪ গৱেষণা পদ্ধতি ঃ**

অধ্যয়নীয় বিষয়বস্তুক প্ৰতিষ্ঠাপন কৰিবলৈ আলোচ্য গৱেষণাপত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে। আলোচনাৰ বাবে নিৰ্বাচন কৰা প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদি লোক-বাক্‌ভংগীৰ সমলসমূহক লোক-

 ISSN : 2277-5277

সাংস্কৃতিক প্ৰেক্ষাপটৰ আধাৰত, সমাজ-ভাষাতত্ত্বৰ দৃষ্টিৰে বিশ্লেষণ কৰা হৈছে। আলোচনাৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহৰ বাবে মুখ্য সমল হিচাপে তথ্যদাতাৰপৰা সংগৃহীত তথ্য আৰু নিৰ্বাচিত লোক-বাক্‌ভংগীবিষয়ক গ্ৰন্থক গ্ৰহণ কৰাৰ বিপৰীতে বিভিন্ন ছপা গ্ৰন্থ-আলোচনী, জাৰ্ণেল, ৱেবছাইট, ই-বুক আদিত প্ৰকাশিত তথ্যক গৌণ সমল হিচাপে গ্ৰহণ কৰা হৈছে। তথ্যদাতাৰপৰা সমল সংগ্ৰহ কৰিবৰ বাবে প্ৰত্যক্ষ মৌখিক সাক্ষাৎকাৰ পদ্ধতি গ্ৰহণ কৰা হৈছে। **কেতবোৰ প্ৰবাদ-প্ৰবচনৰ ক্ষেত্ৰত লিখিত গ্ৰন্থত বহু বৰ্ণাশুদ্ধি পৰিলক্ষিত হয় যদিও এই আলোচনাত তেনে ভুলসমূহ শুদ্ধ নকৰি আখৰ-জোঁটনি মূল ৰূপত ৰখা হৈছে।**

**১.০০ মূল আলোচনা ঃ**

পৰম্পৰাগত অসমীয়া সমাজ-ব্যৱস্থাত গৃহস্থালি এখন সুচলতাৰে পৰিচালনা কৰাৰ ক্ষেত্ৰত নাৰীসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমীয়া লোকসমাজে গৃহস্থালি এখন নিপুণতাৰে পৰিচালনা কৰাৰ বাবে অপৰিহাৰ্য ৰোৱা-বোৱা-কটাকে ধৰি ঘৰুৱা কাম-কাজৰ নিপুণতাৰ লগতে সন্তান জন্ম-প্ৰতিপালনক নাৰীৰ প্ৰধান কৰ্মক্ষেত্ৰ হিচাপে নিৰূপণ কৰিছে।[7] চাৰিত্ৰিক দিশৰপৰা অসমীয়া লোকসমাজ পুৰুষতান্ত্ৰিকতাৰ প্ৰভাৱপুষ্ট হোৱা বাবে অসমীয়া সমাজ-ব্যৱস্থাত নাৰীৰ উপস্থাপন আৰু নাৰীৰ স্থিতি— এই দুয়োটা দিশৰে বৈশিষ্ট্যপূৰ্ণ প্ৰকাশ লক্ষ্য কৰা যায়। ইয়াৰ অন্যতম নিদৰ্শন হৈছে— নাৰীবিষয়ক অসমীয়া লোক-বাক্‌ভংগীৰ সমলসমূহ। লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত লক্ষ্মী- অলক্ষ্মী বা সুলক্ষণীয়া আৰু কুলক্ষণীয়া বা লাগী-এলাগী নাৰীৰ ধাৰণাৰ প্ৰতিস্থাপন, উদাহৰণস্বৰূপে— ডাকৰ বচনত উল্লেখ থকা *উচল চাল, দাতিনী তিৰী, সিতো গৃহস্থৰ নাহিকে চিৰী।।... মূৰ পিঠি থেপেকা ভিসন। সিটো তিৰী বৰ কুলক্ষন।।*[8] অথবা *সম দন্ত লাৱন্য মাত/ গৃহে বাতি সন্ধ্যা বেলাত/ ৰন্ধন কৰে বচন মিষ্ট/ সেহি গৃহিনি বুলিবা ইষ্ট । সাসুৰিত পুচি কৰে আয় ব্যয়। সি নাৰিক সদা লক্ষ্মী নাচাড়য়।।*[9]; নাৰী চৰিত্ৰ আৰু নাৰীৰ স্বাস্থ্য বিচাৰ, যেনে ঃ *ঘোৰাক চিনি কাণত, তিৰিক চিনি ঠানত, খুৰক চিনি শালত ; A horse is known by his ears, A women in times of adversity, And a razor on a whetstone*[10], *যতেক সুন্দৰী নাৰী, ততেক অনৰ্থকাৰী* [11] ; নাৰীৰ সামাজিক স্থিতি, যেনে— *সৰ্ব্ব সুলক্ষনী তাই, পাটিটো মুতে চৰুটো খাই । A paragon of a wife, she spoils the bed and eats from the cooking pot.* [12], *তিৰিক মিলে, মিৰি কিলে। When the Miri meets his wife, he beats her.*[13], *বেটিয়ে ভাঙিলে কটৰা, গড়গাঁও পালেহি বতৰা, ঘৈণীয়ে ভাঙিলে কাঁহি, ঠলে মুচুকাই হাঁহি। The maid-servent broke a cocanut shell, and the news spread to Gargao. The wife broke a brass plate, and the result was only a smile.*[14], *বিধতাই দিলেও তিৰুতাই নিদিয়ে। Although Bidhata (the law-giver) gave, the wife does not.*[15], *ঠুপৰীৰ পৈ, মাজে ফুটা চৈ, কাতি খাই কটনা, এই তিনি চাৰি জমৰ জতনা। To be the husband of a worthless women, a cart-covering with a hole in the middle of it, a hired weaver, These three are the agony of death.*[16], *বেটীক মাৰি বোৱাৰীক চকোৱা* [17] আদি সমলসমূহৰ জৰিয়তে অসমীয়া লোকসমাজৰ নাৰীবিষয়ক সমাজ-মনস্তত্ত্বক বিশ্লেষণ কৰিব পৰা যায়। তদুপৰি, অসমীয়া লোকসমাজত প্ৰচলিত লিংগভিত্তিক ভাষিক পাৰ্থক্যয়ো অসমীয়া লোকসমাজৰ গাঁথনিক দিশক প্ৰতিফলিত কৰে— যাৰ আধাৰত নাৰী এগৰাকীৰ গৰ্ভধাৰণৰপৰা প্ৰসৱোত্তৰ কালক বুজাবৰ বাবে প্ৰয়োগ কৰা লোক-বাক্‌ভংগীক বিশ্লেষণ কৰিব পৰা যায়।



 ISSN : 2277-5277

১.০১ অসমীয়া লোকসমাজত প্ৰচলিত গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়ৰ সৈতে জড়িত লোক-বাক্‌ভংগীক নাৰী এগৰাকীৰ শাৰীৰিক স্থিতি অনুসৰি পাঁচটা স্তৰত ভাগ কৰিব পৰা যায়।[18] যথা ঃ

(ক) গৰ্ভ সঞ্চাৰ বা গৰ্ভধাৰণৰ সৈতে জড়িত;
(খ) গৰ্ভ ধাৰণৰপৰা প্ৰসৱৰ সময়লৈকে জড়িত;
(গ) গৰ্ভপাতৰ সৈতে জড়িত;
(ঘ) প্ৰসৱৰ সৈতে জড়িত;
(ঙ) প্ৰসৱোত্তৰ কালৰ সৈতে জড়িত আদি।

**(ক) গৰ্ভসঞ্চাৰ বা গৰ্ভধাৰণৰ সৈতে জড়িত ঃ**

সন্তানে গৰ্ভত থিত লোৱা সময়খিনিক বুজাবলৈ ব্যৱহাৰ কৰা বাক্‌ভংগীক এই শাখাত আলোচনা কৰা হৈছে। উদাহৰণস্বৰূপে— গাত লেঠা লাগ/ গাত হ/ (গাত) কিবা হ (গৰ্ভ সঞ্চাৰ হ), গা বান্ধোন/ গা বন্দী/গা ভৰুণ/ গা ভাৰী/ গা নৰিয়া হ (সগৰ্ভা হ), গা-মূৰ নোধো (গৰ্ভৱতী হ), পেট সাঁচ (সগৰ্ভা হ), পেট হ (গৰ্ভৱতী হ), গা বন্ধ হ (সন্তানে গৰ্ভত থিত লোৱা বাবে মাহিলী ৰক্তস্ৰাৱ নোহোৱা হ)।

**(খ) গৰ্ভধাৰণৰপৰা প্ৰসৱৰ সময়লৈকে জড়িত ঃ**

গৰ্ভধাৰণৰপৰা সন্তান প্ৰসৱ হোৱালৈকে সমগ্ৰ সময়খিনিক বুজাবলৈ প্ৰয়োগ কৰা বাক্‌ভংগীক এই শাখাত বিভক্ত কৰা হৈছে। এনে প্ৰকাশভংগী হৈছে— এক মৰণাত পৰ্ (মৰণৰ বাট পা, গৰ্ভৱতী হ), গা চুৱা যা (প্ৰসৱৰ পূৰ্বে স্ৰাৱ হ), গাঁজি-গুড়া খোৱা (সগৰ্ভা নাৰীক পঞ্চামৃতকে ধৰি পুষ্টিকৰ খাদ্য খাবলৈ দে), জেউৰা দে/ খা[19] (গৰ্ভৱতী তিৰোতাক পাঁচমাহত পঞ্চামৃত হিচাপে পুষ্টিকৰ আহাৰ খাবলৈ দে), সাৰ খোৱা[20] (গৰ্ভধাৰণৰপৰা সাত মাহত গৰ্ভৱতী নাৰীগৰাকীক পুষ্টিকৰ আহাৰ খাবলৈ দিয়া পৰম্পৰা), খোৱনী দে[21] (গৰ্ভধাৰণৰপৰা ন মাহত গৰ্ভৱতী নাৰীগৰাকীক পুষ্টিকৰ আহাৰ খাবলৈ দি সুকলমে সন্তান প্ৰসৱ কৰিবলৈ আশীৰ্বাদ দিয়া পৰম্পৰা), গা জিলিক (সগৰ্ভা হোৱাৰ চিন প্ৰকট হ), গাত থাক (গৰ্ভত সন্তান থাক), মাটি খা (পুষ্টিহীনতাত ভোগা মহিলাই গৰ্ভধাৰণ কালত বেৰৰ মাটি, খোলাকটি, এঙাৰ আদি অখাদ্য ভক্ষণ কৰ), গা ভৰ হ (গৰ্ভাৱস্থাৰ শেষৰফালে সন্তান পৈণত হ), গা-মুখ ভাগ (সন্তান জন্মৰ সময় উপস্থিত হ)।

**(গ) গৰ্ভপাতৰ সৈতে জড়িত ঃ**

গৰ্ভপাত বা গৰ্ভত থিত লোৱা সন্তান কিবা কাৰণত নষ্ট হৈ যোৱা অৰ্থ প্ৰকাশক বাকভংগীৰ প্ৰচলনো অসমীয়া লোকসমাজত দেখা যায়। উদাহৰণস্বৰূপে— গা খহ বা খহা (আপোনা-আপুনি গৰ্ভপাত হোৱা বা দৰৱ-জাতিৰ প্ৰয়োগৰে বলপূৰ্বকভাৱে গৰ্ভপাত কৰা), গা ব/ যা/ গা সুৰ/ গা সুৰি যা/ গা ৰজস যা ( গৰ্ভৱতী অৱস্থাত ৰক্তস্ৰাৱ হ), গা ৰ (গৰ্ভাৱস্থা বা প্ৰসৱোত্তৰ কালত হোৱা ৰক্তস্ৰাৱ বন্ধ হ), নষ্ট হ (গৰ্ভস্থ সন্তানৰ মৃত্যু হ), বেয়া বা বইয়া হ/বঙহ য'[22] (গৰ্ভ নষ্ট হ)।

**(ঘ) প্ৰসৱৰ সৈতে জড়িত ঃ**

সন্তান এটি প্ৰসৱ হোৱাৰ পূৰ্বে নাৰী এগৰাকীৰ শাৰীৰিক-মানসিক স্থিতিপ্ৰকাশক ভালেমান বাক্‌ভংগীৰ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে— গা বেয়া কৰ/ বিষ আহ /বিষ মাৰ (প্ৰসৱ-বেদনা আৰম্ভ হ), ওপ্ৰা বেদনা

/বিষ[২৩] (প্ৰসৱৰ সময় কাষ চপাৰ লগে লগে নাৰীগৰাকীয়ে অনুভৱ কৰা কম পৰিমাণৰ প্ৰসৱ বেদনা, ) গা লৰ (প্ৰসৱৰ সময় উপস্থিত হ), চেৰাশালিত পৰ (প্ৰসৱৰ কাল উপস্থিত হ), গা যা / পানী ভাগ / গা ভাগ / তেজ ভাঙ[২৪] (সন্তান প্ৰসৱৰ সময় উপস্থিত হ'লে হোৱা স্ৰাৱ নিঃসৰণ), ভাল হ (সুকলমে প্ৰসৱ কাৰ্য সম্পন্ন হ), আগ লেঠা গুছা/ আগ শূল আহ (প্ৰসৱৰ অনতিপলমে হোৱা ৰক্তস্ৰাৱ), ফুল সৰ/ফুল বাজ হ[২৫], পাছ আহ / পাছ-কঠা বাজ হ [২৬] (জৰায়ুৰ ভিতৰত সন্তানে থিত লোৱা মোনাসদৃশ অংশটো বাহিৰ হ), জলমোনা[২৭] (গৰ্ভস্থ সন্তানক আৱৰি ৰখা পানীৰ মোনা ), গেঁৰ খহা[২৮] (প্ৰসৱ হোৱা), নাই কাট /নাড়ী কাট (মাতৃ আৰু সন্তান সংলগ্ন হৈ থকা নাড়ী ছেদ কৰ), ল'ৰা ফুকা (প্ৰসৱ হ), ধেন দে (প্ৰসৱ হোৱা অৰ্থবাচক নিন্দাসূচক প্ৰয়োগ। সাধাৰণতে গৰু, ম'হ আদি জন্তুৰ প্ৰসৱ বুজাবলৈ প্ৰয়োগ হয়), গা এৰ/ গা সাৰ (প্ৰসৱ কাৰ্য সমাপন হ), গা খালী বা খালাচ হ (প্ৰসৱ কাৰ্য সম্পন্ন হ), পুৰুষৰ ৰণ, তিৰীৰ বিয়ন।

**(ঙ) প্ৰসৱোত্তৰ সময়ৰ সৈতে জড়িত ঃ**

গা এফলীয়া হোৱা (নিৰাপদে সন্তান প্ৰসৱ কৰি নিজে ৰক্ষা পোৱা), নাড়ী সৰ্ (মাতৃৰ সৈতে সংযোগ হৈ থকা নাড়ী ছেদ কৰাৰপাছত সন্তানৰ গাত লাগি থকা নাড়ী অংশ শুকাই খহি পৰা), জাল খা, এঘাৰ দিনীয়া ওলা (প্ৰসৱ হোৱাৰপৰা এঘাৰ দিনৰ অন্তত গা-মূৰ ধুই শুচি হোৱা), পোৱাঁতীৰ খক/ পোৱাঁতীৰ ভোক (সন্তান জন্মৰ পিছত বৰকৈ লগা ভোক), বাজলৈ ওলা (সদ্যোজাত সন্তানৰ নাড়ী সৰাৰ পাছত মাক আৰু সন্তানক প্ৰথম সূৰ্যৰ পোহৰ দেখা), পিয়াহ শিৰা/ শিৰ-কোব (দুগ্ধপান কৰাই থকা মহিলাৰ স্তনত বিষ হোৱা ৰোগবিশেষ), বাজীয়ে নুবুজে পোৱাঁতীৰ মোল।[২৯]

২.০০ অসমীয়া লোক-সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত এনে বাক্‌ভংগীৰ প্ৰয়োগ-শৈলীক সমাজ-মনস্তাত্ত্বিক দিশৰপৰা বিশ্লেষণ কৰোঁতে এনেদৰে ভাগ কৰিব পাৰি ঃ

(ক) লোক-সাংস্কৃতিক সমল,
(খ) প্ৰসূতি-স্বাস্থ্য আৰু প্ৰসূতি-মৃত্যুৰ সৈতে জড়িত,
(গ) সামাজিক টেবু,
(ঘ) লিংগভিত্তিক ভাষা,
(ঙ) নিন্দা বা ব্যংগাৰ্থসূচক প্ৰয়োগ আদি।

**(ক) লোক-সাংস্কৃতিক সমল ঃ**

এনে বাক্‌ভংগীৰ সৈতে অসমীয়া লোকসমাজত সততে ক্ৰিয়াশীল হৈ থকা সামাজিক-সাংস্কৃতিক বিশ্বাস, লোকাচাৰ আদি জড়িত হৈ থকা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে—

**কাউৰী বাঁজী ঃ** কাউৰীয়ে জীৱনত এবাৰহে বিয়া কৰায় বুলি অসমীয়া লোক-সমাজত প্ৰবাদ আছে। এতেকে এটা সন্তানৰ পাছত দুনাই সন্তান নোহোৱা তিৰোতাক বুজাবলৈ এই পদ ব্যৱহাৰ কৰা হয়। (তুল. সংস্কৃতৰ কাকবন্ধ্যা)।

**... দুষ্টা ভনীৰ নহ'বা ভাই, ঘন পোৱাঁতীৰ নহ'বা জোঁৱাই**[৩০] ঃ লোক-সমাজৰ মত অনুসৰি, দুটা সন্তানৰ মাজত উপযুক্ত সময়ৰ ব্যৱধান থাকিলেহে মাতৃ তথা সন্তানৰ সুস্বাস্থ্য অটুট থাকে। আধুনিক চিকিৎসাবিজ্ঞানেও এই প্ৰসংগত সহমত প্ৰকাশ কৰে। সাধাৰণতে খুব কম সময়ৰ ব্যৱধানত জন্ম পোৱা শিশু চিৰ-ৰুগীয়া আৰু দুৰ্বল হোৱা





দেখা যায়। আনহাতে মাতৃ স্বাস্থ্যৱান হ'লেহে শিশু স্বাস্থ্যৱান হ'ব। যদি মাতৃগৰাকী ৰুগীয়া, দুৰ্বল হয়, তেন্তে শিশুও নিশকতীয়া হ'ব। সেয়েহে ডাকৰ বচনৰ জৰিয়তে লোক-সমাজত প্ৰচলিত প্ৰজনন আৰু বংশৰক্ষাবিষয়ক অভিজ্ঞতা প্ৰকাশ পাইছে।

**(খ) প্ৰসূতি-স্বাস্থ্য আৰু প্ৰসূতিৰ মৃত্যুৰ সৈতে জড়িত ঃ** এনে বাক্‌ভংগীয়ে গৰ্ভৱতী নাৰী আৰু প্ৰসূতিৰ স্বাস্থ্যৰ সৈতে জড়িত দিশসমূহক প্ৰতিফলিত কৰে। উদাহৰণস্বৰূপে—

**মাটি খা ঃ** গৰ্ভৱতী নাৰী এগৰাকী আৰু গৰ্ভস্থ সন্তানৰ সুস্বাস্থ্যৰ বাবে সুষম তথা পুষ্টিকৰ আহাৰ অতিকৈ প্ৰয়োজনীয়। কেতিয়াবা এনে মহিলাই গ্ৰহণ কৰা আহাৰৰ পুষ্টিগুণৰ তাৰতম্য হ'লে শৰীৰত বিভিন্ন খনিজ লৱণ, ভিটামিন আদিৰ অভাৱে দেখা দিয়ে। তদুপৰি গৰ্ভধাৰণৰ বাবে শৰীৰত হোৱা হ'ৰমনৰ তাৰতম্যৰ বাবেও কেতিয়াবা সগৰ্ভা মহিলা এগৰাকীয়ে পুষ্টিহীনতা আৰু খনিজ লৱণ, ভিটামিন আদিৰ অভাৱত ভোগে। এনেক্ষেত্ৰত, বিশেষকৈ দেহত আয়ৰনৰ অতিমাত্ৰা অভাৱ হ'লে মহিলাগৰাকীৰ বেৰৰ মাটি, খোলাকটি, এঙাৰ আদি অখাদ্য ভক্ষণ কৰাৰ তাড়না তীব্ৰ হৈ পৰে আৰু তেনেধৰণৰ খাদ্য গ্ৰহণ কৰে।

**গাঁজি-গুড়া খোৱা ঃ** সগৰ্ভা নাৰীক পাঁচ মাহত দৈ, এঁৰা, ঘিঁউ, মৌ, চেনিৰে পঞ্চামৃত খাবলৈ দিয়া হয়। সেয়েহে অসমীয়া লোক-পৰম্পৰা অনুসৰি এনে নাৰীক পঞ্চামৃতকে ধৰি আন পুষ্টিকৰ খাদ্য খাবলৈ দিয়া প্ৰথাৰ প্ৰচলন আছে। গৰ্ভৱতী নাৰীৰ সু-স্বাস্থ্য কামনা কৰা এনে পৰম্পৰাক গাঁজি-গুড়া খোৱা বোলা হয়।

**জেউৰা দে / জেউৰ গুড়ি খা ঃ** নামনি অসমত প্ৰচলিত, সগৰ্ভা নাৰীক পঞ্চামৃত হিচাপে পাঁচ মাহৰপৰা বংশ-পৰিয়াল, গাঁৱৰ আত্মীয় পৰিয়ালৰ লোকে পুষ্টিকৰ খাদ্য খাবলৈ দিয়া পৰম্পৰাবিশেষ।

**সাৰ খোৱা ঃ** নামনি অসমত প্ৰচলিত গৰ্ভধাৰণৰপৰা সাত মাহত গৰ্ভৱতী নাৰীগৰাকীক পুষ্টিকৰ আহাৰ খাবলৈ দিয়া পৰম্পৰাবিশেষ।

**খোৱনী দে ঃ** নামনি অসমত প্ৰচলিত গৰ্ভধাৰণৰপৰা ন মাহত গৰ্ভৱতী নাৰীগৰাকীক পুষ্টিকৰ আহাৰ খাবলৈ দি সুকলমে সন্তান প্ৰসৱ কৰিবলৈ আশীৰ্বাদ দিয়া পৰম্পৰাবিশেষ।

**পুৰুষৰ ৰণ, তিৰীৰ বিয়ন ঃ** সাধাৰণতে দেশ ৰক্ষা তথা যুদ্ধ-বিগ্ৰহত অংশগ্ৰহণ কৰাৰ দায়িত্ব পুৰুষসকলে লাভ কৰে। এনেদৰে যুদ্ধ-বিগ্ৰহলৈ ওলাই যোৱা পুৰুষসকলৰ জীৱনৰ কোনো নিৰাপত্তা নাথাকে। তেওঁলোকে কেতিয়াবা ৰণথলীত মৃত্যুবৰণ কৰিবলগীয়াও হয়। একেদৰে গৰ্ভত সন্তান ধাৰণ কৰা নাৰী এগৰাকীৰ জীৱনো নিৰাপত্তাহীন হৈ পৰে। বহুক্ষেত্ৰত, প্ৰসৱকালীন জটিলতাৰ বাবে সন্তান জন্ম দিবলৈ যাওঁতে কেতিয়াবা এগৰাকী নাৰী মৃত্যুমুখত পৰিবলগীয়াও হয়। তুল. মুনিহৰ ৰণ তিৰীৰ বিয়ন, পুৰুষ মৰে ৰণে তিৰী মৰে বিয়নে।

**এক মৰণাত পৰ্ / মৰণৰ বাট পা ঃ** গৰ্ভস্থ সন্তানক সুকলমে প্ৰসৱ কৰিবলৈ যাওঁতে নাৰী এগৰাকীয়ে সাধাৰণতে ভালেখিনি শাৰীৰিক প্ৰত্যাহ্বান অতিক্ৰম কৰিবলগীয়া হয়। এনে পৰিস্থিতিত কোনো নাৰীয়ে কেতিয়াবা অকাল মৃত্যুক সাবটিবলগীয়াও হয়। সেয়েহে গৰ্ভত সন্তান ধাৰণ কৰাৰেপৰা সুকলমে প্ৰসৱ নোহোৱালৈকে মৃত্যুৰ ভয় জড়িত হৈ থাকে। সেয়েহে এই সময়ছোৱাক বুজাবলৈ এনেধৰণৰ বাক্-ভংগীৰ প্ৰয়োগ দেখা যায়।

**ডাকৰ বচনত নৱজাতক আৰু প্ৰসূতিৰ যতন ঃ**

ডাকৰ বচনক অসমীয়া লোকপ্ৰজ্ঞাৰ চানেকি হিচাপে বিবেচনা কৰিব পৰা যায়। অসমীয়া লোকসমাজৰ সৈতে জড়িত বিভিন্ন দিশৰ পৰম্পৰাগত জ্ঞানৰ আভাস ডাকৰ বচনত পোৱা যায়। এনে এক দিশ হৈছে নৱজাতক আৰু প্ৰসূতি-পৰিচৰ্যা। অসমীয়া লোক-সমাজত প্ৰসূতি আৰু সন্তানক জুইৰ সেক দিয়াৰ পৰম্পৰা প্ৰচলিত। তদুপৰি বিবিধ বনৌষধি যতনাই প্ৰসূতিক খাবলৈ দিয়াৰ ৰীতিও প্ৰচলিত। ডাকৰ বচনত এই লোকপ্ৰজ্ঞাৰ প্ৰতিফলন হিচাপে সন্তান জন্মৰ সময়ৰেপৰা নৱজাতক আৰু প্ৰসূতিক লোৱা যতন সম্পৰ্কে বিস্তৃত অভিজ্ঞতালব্ধ জ্ঞান সঞ্চিত হৈ আছে। উদাহৰণস্বৰূপে[৩১]—

... ... ...

*ধুৱাই পখলাই কোলে লৈব জেবে।*
*ভালে ভালে ফুল পৰিব তেবে।।*
*হৰিধ্বনি কৰি নাভি কাটিবা।*
*দৃঢ় মুষ্টি কৰি গাঠি বান্ধিবা।।*
*গোবৰ সুঠি সুচলি কাঠ।*
*সেকিলে নাভি নহৰে অনাঠ।।*

... ... ...

*তিনি কাঠে কৰিয়া এক।*
*যেনে লাগে তেনে দিবা সেক।।*
*লোন ঝালুক দি খুৱাব ঝাল।*
*তেবে স্তন ৰস হুইবেক ভাল।।*
*ক'লা তুলসি বেলৰ পাত।*
*মুথা সমে খুন্দি পটাত।।*
*তপত কৰিয়া জননি খাইব।*
*তেবেসে জননি দৃঢ়ক পাইব।।*

... ... ...

*বাৰিপুষ্প ঝিণ্টিৰমূল খুদ্ৰ ৱাৰ্ত্তকি।*
*বাটিয়া খুৱাইব নাথাকে বাক্কি।।*
*অপৰাজিতা ইহৰতি ইহাৰ মূল।*
*জানি সুনি দিবা দসমূল।।*

... ... ...

*ঔসচ বাঝে মঙ্গল্য কৰি।*
*সূৰ্যক দেখাইবা নয়ন ভৰি।।*





**(গ) সামাজিক টেবু বা নিষিদ্ধ শব্দ ঃ** টেবু বা নিষিদ্ধ শব্দই সামাজিকভাৱে সণ্ঢালনিকৈ প্ৰয়োগ কৰিব নোৱৰা শব্দ বা শব্দসমষ্টিক নিৰ্দেশ কৰে। নিষিদ্ধ শব্দৰ গাঁথনিক বিশেষত্বক সামাজিক বাধা-নিষেধ, লোক-পৰম্পৰা, লোকবিশ্বাস আদিয়ে প্ৰভাৱান্বিত কৰে। তদুপৰি, এনেধৰণৰ বাক্‌ভংগীৰ প্ৰয়োগ পৰিৱেশ আৰু পৰিস্থিতিনিৰ্ভৰ। অনুষংগ অবিহনে এনে বাক্‌ভংগীৰ প্ৰকৃত তাৎপৰ্য অনুধাৱন কৰাটো সম্ভৱপৰ নহয়। তদুপৰি, বিষয় বা পৰিস্থিতিৰপূৰ্বজ্ঞান অবিহনেও এনে বাক্‌ভংগীৰ প্ৰায়োগিক বিশেষত্ব উপলব্ধি কৰিব পৰা নাযায়। সেয়ে এনে বাক্‌ভংগীক শব্দাৰ্থতত্ত্বৰ পৰিসীমাত আলোচনা কৰা হয়। সাধাৰণতে, অসমীয়া লোকসমাজত প্ৰসৱ, গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়ছোৱাৰ সৈতে জড়িত দিশসমূহক স্ত্ৰী-পুৰুষ নিৰ্বিশেষে উন্মুক্তভাৱে ব্যৱহাৰ কৰিব পৰা বিষয় বুলি ভবা নহয়। সেয়েহে এনেধৰণৰ বাক্‌ভংগী নিৰ্মাণৰ ক্ষেত্ৰত বিশেষত্বপূৰ্ণ প্ৰয়োগ দেখা যায়। উদাহৰণস্বৰূপে—

**শৰীৰ অৰ্থবোধক *গা* শব্দৰ প্ৰয়োগ ঃ** আলোচ্য বিষয়ৰ সৈতে জড়িত অসমীয়া লোক-বাকভংগীত *শৰীৰ*শব্দতকৈ একে অৰ্থবোধক *গা* শব্দৰহে প্ৰয়োগ দেখা যায়। লক্ষণীয় যে এনে বাক্‌ভংগীত *গা* শব্দই দুটা অৰ্থ প্ৰকাশ কৰে। যেনে—

(অ ) অভিধা অৰ্থ ঃ কিছুসংখ্যক বাক্‌ভংগীত *গা*শব্দই পোনপটীয়াকৈ শৰীৰ অৰ্থ বহন কৰে। উদাহৰণস্বৰূপে ঃ গাত লেঠা লাগ/ গাত হ/ (গাত) কিবা হ , গা বান্ধোন/ গা বন্দী/ গা ভৰুণ/ গা ভাৰী, গা খালী বা খালাচ হ আদি।

(আ) আৰোপিত অৰ্থ ঃ গা-মূৰ নোধো, গা-মুখ ভাগ, গা খহ বা খহা , গা ব/ যা/ গা সুৰ/ গা সুৰি যা/ গা ৰজস যা , গা ৰ, গা বেয়া কৰ, গা লৰ, গা যা / গা ভাগ, গা এৰ/ গা সাৰ আদি। এনে বাক্‌ভংগীত *গা* শব্দৰ অভিধাৰ্থতকৈ লক্ষণাৰ্থহে অধিক প্ৰকাশক্ষম ৰূপত উপস্থাপিত হয়।

(ই) শৰীৰৰ অংগ-প্ৰত্যংগৰ সৈতে জড়িত ঃ শৰীৰৰ অংগ-প্ৰত্যংগৰ সৈতে জড়িত শব্দৰ প্ৰয়োগো এনে বাক্‌ভংগীৰ অন্যতম বিশেষত্ব। উদাহৰণস্বৰূপে—

পেট ঃ পেট সাঁচ , পেট হ

নাড়ী ঃ নাই কাট /নাড়ী কাট আদি। উল্লেখযোগ্য যে, এনে বাক্‌ভংগীসমূহতো শৰীৰৰ অংগ-প্ৰত্যংগবাচক শব্দসমূহে অভিধাৰ্থ এৰি লক্ষণাৰ্থ গ্ৰহণ কৰে।

**(ঘ) লিংগভিত্তিক ভাষা ঃ** অসমীয়া লোকসমাজত নাৰীৰ সৈতে জড়িত এই বাক্‌ভংগীসমূহ সাধাৰণতে নাৰী সমাজত প্ৰয়োগ হয়। সেয়েহে এনে বাক্‌ভংগীক লিংগভিত্তিক ভাষা বুলিও অভিহিত কৰিব পৰা যায়।

**(ঙ) নিন্দা বা ব্যংগাৰ্থসূচক বাক্-ভংগী ঃ** এনে বাক্‌ভংগীৰ জৰিয়তে অভিধা অৰ্থ এৰি আন অৰ্থৰে বিষয়বস্তুক উপস্থাপন কৰা হয়। উদাহৰণস্বৰূপে—

**ধেন দে ঃ** সাধাৰণতে গৰু-ম'হ আদি ইতৰ জন্তুৱে খুব সঘনাই, বছৰেকৰ মূৰতে পোৱালি জন্ম দিয়ে। ইয়াৰ বিপৰীতে মানৱ-সমাজত নাৰীগৰাকী আৰু সন্তানৰ সুস্বাস্থ্য কামনা বা প্ৰাকৃতিকভাৱেই সন্তান জন্মৰ মাজত সময়ৰ ব্যৱধান মানি চলা হয়; কিন্তু ইয়াৰ ব্যতিক্ৰমে, খুব কম সময়ৰ ব্যৱধানত একাধিক সন্তান জন্ম দিয়া নাৰীক বুজাবলৈ ঠাট্টাসূচকভাৱে এনে বাক্‌ভংগী ব্যৱহাৰ কৰা হয়।

**নাগিনীয়ে ল'ৰা পালে, নগাই জাল খালে ঃ** প্ৰসৱ-যন্ত্ৰণা অতিশয় পীড়াদায়ক। সন্তান জন্মৰ সময়ত হোৱা বিষ-কোপ কমিবৰ বাবে প্ৰসূতিক সন্তান জন্মৰপৰা তিনি দিনৰ দিনা কচুশাকৰ সৈতে বিভিন্ন বনৌষধি মিহলাই

সৰহীয়াকৈ জালুক দি আঞ্জা খাবলৈ দিয়া হয়। অসমীয়া লোকসমাজে বিশ্বাস কৰে এই আঞ্জা নাৰীগৰাকীক সোনকালে সুস্থ কৰি তোলাৰ লগতে সন্তানৰ বাবে অধিক দুগ্ধ উৎপাদনৰ সহায়ক হয়। নাগিনী অৰ্থাৎ, তিৰোতাগৰাকীয়ে কষ্ট কৰি সন্তান জন্ম দিলে; কিন্তু নগা অৰ্থাৎ তিৰোতাগৰাকীৰ স্বামীয়েহে জাল খাই গাৰ বিষ কমালে। এতেকে কোনো এটা কষ্টকৰ কামৰ ফল ভোগ কৰিবৰ পৰত, কষ্ট কৰাজনক নিলগতে ৰাখি আনে ওপৰতে কষ্ট কৰা যেন দেখুৱাই ফল ভোগ কৰা অৰ্থ প্ৰকাশ কৰিবলৈ এনে বাক্‌ভংগী ব্যৱহাৰ কৰা হয়।

**চৈ খাই পৈ পাহৰা ঃ** চৈ এবিধ লতাজাতীয় বনৌষধি। সন্তানসম্ভৱা নাৰীৰ লগতে গৰ্ভস্থ সন্তানৰ সুস্বাস্থ্যৰ বাবে জেউৰ গুড়ি খুৱাওঁতে চৈ লতাও দিয়া হয়। সন্তানসম্ভৱা নাৰীয়ে সাত মাহত চৈ খাবলৈ পাই গিৰিয়েকক পাহৰা অৰ্থত এই যোজনা প্ৰয়োগ কৰা হয়। অৰ্থাৎ লাভৰ আগন্তুক বা সম্ভাৱনা দেখি যাৰ নিমিত্তে সেই লাভ হ'বৰ উপক্ৰম হৈছে, তেওঁকে অৱহেলা কৰা। অতিশয় অকৃতজ্ঞজনৰ প্ৰসংগত এনে বাক্‌ভংগী ব্যৱহাৰ কৰা হয়।

**নৌ দোহোঁতেই কঁৰীয়াই মাতে, নাই কাটোঁতেই মেদিনী ফাটে ঃ** সাধাৰণতে কঁৰীয়াত কিছু পৰিমাণৰ গাখীৰ খীৰোৱাৰ পিছতহে গাখীৰৰ শব্দ হয়। সেয়ে গাখীৰ খীৰোৱাৰ আগতেই শব্দ হোৱাটো অসম্ভৱ কথা। একেদৰে কেঁচুৱা এটা জন্মৰ পিছতেই কৰিবলগীয়া প্ৰথম আচাৰ হৈছে মাতৃ আৰু কেঁচুৱা সংলগ্ন হৈ থকা নাই বা নাড়ী কটা। সাধাৰণতে এই কামটোত কোনো আনুষ্ঠানিকতা পালন কৰা নহয়। এতেকে কোনো কাৰ্যৰ আৰম্ভণি নহওঁতেই অতিপাত আড়ম্বৰপূৰ্ণ পৰিৱেশ সৃষ্টি কৰা প্ৰসংগত এনে বাক্‌ভংগী ব্যৱহাৰ কৰা হয়।

**যমে টানে নিবলৈ, ল'ৰাই টানে পিবলৈ ঃ** সন্তান জন্মৰ সময়খিনি এগৰাকী নাৰীৰ বাবে বৰ জটিল সময়। এই সময়খিনিতে এগৰাকী নাৰী জীৱন-মৰণৰ দোমোজাত উপনীত হোৱাৰ দৰে হয়। প্ৰসৱকালীন জটিলতাত পৰি মৃত্যুমুখত পৰিবলগীয়া হোৱা মাকগৰাকীৰ শাৰীৰিক স্থিতিৰ কোনো উমান নোপোৱা সদ্যজাত সন্তানে পিয়াহ খাবলৈ কান্দোন জোৰে। অৰ্থাৎ কোনো এক ডাঙৰ বিপদত বিতত হোৱা অৱস্থাতে আন কোনো সৰু অথচ এৰাব নোৱৰা লেঠাৰ বাবে অসহায় অৱস্থাৰ সৃষ্টি হোৱা অৱস্থা বুজাবলৈ এনে বাক্‌ভংগী প্ৰয়োগ কৰা হয়।

**৩.০০ উপসংহাৰ ঃ**

অসমীয়া লোকসমাজত গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ কালবিষয়ক বাক্‌ভংগীসমূহৰ প্ৰায়োগিক বৈচিত্ৰ্যলৈ লক্ষ্য কৰিলে দেখা যায় যে, এই বাক্‌ভংগীসমূহে নাৰী এগৰাকীৰ জীৱনৰ গুৰুত্বপূৰ্ণ সময় এছোৱাক সাৱলীলতাৰে প্ৰকাশ কৰে। যিহেতু গৰ্ভধাৰণৰ সৈতে যৌনতাৰ পোনপটীয়া সম্পৰ্ক আছে আৰু অসমীয়া লোকসমাজত যৌনতা আৰু যৌন জীৱনসম্পৰ্কীয় বিষয়সমূহক প্ৰায়ক্ষেত্ৰতে আবুৰত ৰখা হয়, তাৰ পৰিপ্ৰেক্ষিতত লোক সমাজত গৰ্ভধাৰণৰপৰা প্ৰসৱোত্তৰ সময়লৈকে— এই সমগ্ৰ প্ৰক্ৰিয়াক সামাজিকভাৱে আলোচনা কৰিব পৰা বিষয় হিচাপে গণ্য কৰা নহয়। তদুপৰি, এই সমগ্ৰ প্ৰক্ৰিয়া এগৰাকী নাৰীৰ সৈতে জড়িত হোৱাৰ বাবেও নাৰীসমাজৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অংশগ্ৰহণ অধিক হোৱা পৰিলক্ষিত হয়। ফলস্বৰূপে সামাজিকভাৱে নিষিদ্ধ শব্দ বা টেবুৰূপে প্ৰয়োগ হোৱাৰ লগতে এনে বাক্‌ভংগীক লিংগভিত্তিক ভাষাশৈলী বুলিও অভিহিত কৰিব পৰা যায়।





**৩.০১ সিদ্ধান্ত ঃ**

(ক) অসমীয়া ভাষাৰ শব্দাৰ্থতাত্ত্বিক অধ্যয়নত জতুৱা বাক্‌ভংগী হিচাপে এনে বাক্‌ভংগীৰ গুৰুত্ব অপৰিসীম।

(খ) পৰম্পৰাগত অসমীয়া সমাজ-মনস্তত্ত্ব আৰু লোক-চিকিৎসাবিষয়ক অধ্যয়নৰ যথেষ্ট সমল এনে বাক্‌ভংগীৰ সৈতে জড়িত হৈ আছে।

(গ) এনে বাক্‌ভংগীৰ প্ৰয়োগৰ অন্তৰালত সামাজিক টেবু বা নিষিদ্ধ শব্দ হিচাপে থকা ধাৰণাৰ প্ৰসংগ জড়িত হৈ থাকে।

(ঘ) অধিকাংশ বাক্‌ভংগী পৰিস্থিতি আৰু প্ৰসংগ-নিৰ্ভৰ। পৰিস্থিতি আৰু প্ৰসংগৰ পূৰ্বজ্ঞান নাথাকিলে এনে বাক্‌ভংগীৰ অৰ্থবোধ সহজ নহয়। উদাহৰণস্বৰূপে, শৰীৰ অৰ্থবোধক *গা* শব্দৰ সৈতে জড়িত বাক্‌ভংগীৰ সংখ্যা অধিক; কিন্তু প্ৰায়ক্ষেত্ৰতে *গা* শব্দই নিজ অৰ্থ এৰি, পৰিস্থিতি-প্ৰসংগ অনুসৰি আন আন অৰ্থ গ্ৰহণ কৰিছে। যেনে ঃ গা ব (গৰ্ভৱতী অৱস্থাত ৰক্তস্ৰাৱ হ), গা ভাৰী (সগৰ্ভা) আদি।

(ঙ) সামাজিক লিংগ নিৰ্মাণ প্ৰসংগৰ ক্ৰিয়াশীলতাই এনে লোক-বাক্‌ভংগী গঠনৰ অন্তৰালত কাৰক হিচাপে ক্ৰিয়াশীল হৈ আছে।

(চ) সাম্প্ৰতিক সময়ত এনে বাক্‌ভংগী প্ৰয়োগৰ ক্ষেত্ৰত সীমাবদ্ধতা পৰিলক্ষিত হয়। বিশেষকৈ ইংৰাজী ভাষাৰ conceive, miscarriage, pregnant/pregnancy, bleeding আদি প্ৰকাশভংগীৰ ব্যাপক প্ৰয়োগে অসমীয়া লোক-বাক্‌ভংগী ব্যৱহাৰৰ পৰিসৰ সংকুচিত কৰি আনিছে।

**৩.০২ ভৱিষ্যৎ অধ্যয়নৰ সম্ভাৱনীয়তা ঃ** আলোচ্য বিষয়সম্পৰ্কীয় এই অধ্যয়নে গৱেষণাৰ প্ৰাৰম্ভিক স্তৰকহে সামৰি লৈছে। সেয়েহে এই অধ্যয়নত আলোচ্য বিষয়ৰ সৈতে জড়িত সকলোবোৰ দিশ অধ্যয়নৰ পৰিসৰত সামৰা হোৱা নাই। এই অধ্যয়নত অন্তৰ্ভুক্ত নোহোৱা, অথচ অধ্যয়নৰ প্ৰচুৰ সম্ভাৱনা থকা বিশেষ দুটামান দিশ হৈছে—

(ক) বিস্তৃত পৰিসৰত নমুনা সংগ্ৰহ কৰি অসমীয়া ভাষাৰ উপভাষিক ৰূপ অনুসৰি গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ সময়ৰ সৈতে জড়িত লোক-বাক্‌ভংগীৰ অঞ্চলভিত্তিক ভাষিক আৰু নন্দনতাত্ত্বিক বিশেষত্বসমূহ বিশ্লেষণ কৰিব পৰা যাব।

(খ) অঞ্চলভিত্তিক ভাষিক বিশেষত্বসমূহ বিচাৰ কৰোঁতে এই বাক্‌ভংগীসমূহৰ সৈতে জড়িত আঞ্চলিক বৈশিষ্ট্যসম্পন্ন সামাজিক সমলসমূহো বিশ্লেষণ কৰিব পৰা যাব।

(গ) অসমত প্ৰচলিত আন আৰ্যমূলীয় বা আৰ্যভিন্ন ভাষাসমূহত গৰ্ভধাৰণ, প্ৰসৱ আৰু প্ৰসৱোত্তৰ সময়ৰ ভিন্ন স্তৰক বুজাবলৈ কেনেধৰণৰ বাক্‌ভংগীৰ প্ৰচলন আছে, এই সম্পৰ্কে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সম্ভাৱনা আছে।

(ঘ) আলোচ্য বিষয়ৰ সৈতে জড়িত অসমীয়া লোক-বাক্‌ভংগী আৰু আন আৰ্যমূলীয় বা আৰ্যভিন্ন ভাষাৰ বাক্‌ভংগীৰ মাজত তুলনামূলক অধ্যয়নৰো সম্ভাৱনা আছে। এনে অধ্যয়নে অসমৰ জনজাতীয় আৰু অ-জনজাতীয় সমাজৰ ইতিপূৰ্বে আলোচিত নোহোৱা বিভিন্ন দিশক উন্মোচিত কৰিব।

**প্ৰসংগ-সূত্ৰ ঃ**

১। অসমীয়া লোকসমাজত ল'ৰাক গুটি ধান, ছোৱালীক পতান ধানৰ লগত ৰিজোৱা বাক্‌ভংগীয়ে ইংগিত কৰে যে ল'ৰা বংশ ৰক্ষাৰ সৈতে জড়িত, কিন্তু ছোৱালীক বিয়া দিয়াৰ লগে লগে বংশ-গোত্ৰৰপৰাই বাদ দিয়া হয়। একেদৰে, ল'ৰাৰ জন্মত মাছ বিলোৱা, ছোৱালীৰ জন্মত ঢেঁকী দিয়া, কুলা কোবোৱাৰ পৰম্পৰা আদিকো সামাজিক লিংগ নিৰ্মাণৰ প্ৰথমটো ঢাপ বুলি অভিহিত কৰিব পৰা যায়। এই ধাৰণাক লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনী *মোৰ জীৱন সোঁৱৰণ* ( *বেজবৰুৱা ৰচনাৱলী*, প্ৰথম খণ্ড, পৃ.নং ৪)ত বেজবৰুৱাই নিজৰ জন্মৰ সময়ৰ প্ৰসংগত উল্লেখ কৰা— *আমাৰ আসামত ল'ৰা উপজিলে উৰুলি দিয়ে, শংখ-ঘণ্টা বজায়, বৰকাঁহ কোবায়; ছোৱালী উপজিলে ঢেকি কোবায়, কুলা বজায়...* — শীৰ্ষক বক্তব্যয়ো সমৰ্থন কৰে।

২। এই প্ৰসংগত লীলা গগৈৰ *নৈ বৈ যায়* উপন্যাসত (পৃ. নং ১৯৩) ন মাহত পতা প্ৰসূতি সবাহৰ অন্তত সুৱাগীক গোপিনীসকলে সন্তান সুকলমে জন্ম হ'বলৈ দিয়া আশীৰ্বাদ উল্লেখযোগ্য —*ঘৰৰ পিৰালিৰ কুকুৰেও যেন গম নেপায়। নিলগৰ টৌ নিলগতে মাৰ নিয়াই গা- খালি কৰায়।* একেখন উপন্যাসৰে, ১৯৪ পৃ.ত সন্তান জন্মৰ সময়ত প্ৰসৱ বেদনা সহ্য কৰিব নোৱাৰি চিঞৰ-বাখৰ কৰিলে প্ৰসূতিগৰাকীক সমাজত ঠাট্টা-মস্কৰা কৰাৰ উল্লেখো পোৱা যায়। লিখিত সাহিত্যত এই প্ৰসংগসমূহৰ উপস্থাপনে প্ৰসৱ আৰু প্ৰসূতিবিষয়ক লোকসমাজৰ মনস্তত্ত্বক প্ৰকাশ কৰিছে।

৩। Health is a state of complete physical,mental and social well-being and not merely absence of disease or infirmity.- https://www.who.int/data/gho/data/major-themes/health-and-well-being#:~:text =The%20WHO%20constitution%20states%3A%20%22Health,of%20mental%20disorders%20or%20disabilities. visited on 10/08/24 at 12.45 pm

৪। The infant mortality rate stands at 48 against the national average of 40. The situation is even worse in Under-Five mortality rate, which stands at 56. Though it has shown remarkable improvement from 84, registered in NFHS 3 of 2005-6. The maternal mortality rate in the State is highest in the country at 300 in 2011-13 as against national average of 167 out of per one lakh live births. https: //hfw.assam.gov.in/ frontimpotentdata/health-indicators-of-assam visited on 07/08/24 at 12.12 pm

৫। *Folklore & Folklife: An Introduction*, P.2

৬। *অসমীয়া খণ্ডবাক্য কোষ*, পৃ. ৩৮-৩৯

৭। সাম্প্ৰতিক সময়ত এই ধাৰণাৰ কিছু সালসলনি ঘটি নাৰীৰ কৰ্মক্ষেত্ৰৰ পৰিসৰে পুৰুষসকলৰ আধিপত্য থকা বৃত্তিকো সামৰি লৈছে। সেয়ে হ'লেও বৰ্তমানেও প্ৰায়ক্ষেত্ৰতে নাৰীয়ে উল্লিখিত ঘৰুৱা জীৱনৰ কৰ্ম-পৰিসৰ আৰু বৃত্তিগত জীৱনৰ মাজত সমতুলতা ৰক্ষা কৰিবলগীয়া হয়।

৮। *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা*, পৃ. ৭৩

৯। *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা*, পৃ. ২৫

১০। Some Assamese Proverbs, Proverb 102. p. 36

১১। *লোক সাহিত্যৰ ৰহঘৰা ফকৰা-যোজনা*, পৃ. ১৫৮

১২। Some Assamese Proverbs, Proverb 241 p. 80

১৩। Some Assamese Proverbs, Proverb 180 p. 59

১৪। Some Assamese Proverbs, Proverb 237 p. 79





১৫। Some Assamese Proverbs, Proverb 239 p. 79

১৬। Some Assamese Proverbs, Proverb 244 p. 80

১৭। *অসমীয়া প্ৰবচন*, পৃ. ১৫৭

১৮। সমল ব্যক্তি আৰু মুখ্য সমল হিচাপে গ্ৰহণ কৰা গ্ৰন্থসমূহৰপৰা আহৰিত সমলসমূহকো এই পাঁচোটা স্তৰ অনুসৰি বিভাজন কৰা হৈছে।

১৯। সংবাদদাতা ঃ শকুন্তলা কলিতা, গংগা ৰাজবংশী, বৰপেটা

২০। সংবাদদাতা ঃ শকুন্তলা কলিতা, গংগা ৰাজবংশী, বৰপেটা

২১। সংবাদদাতা ঃ শকুন্তলা কলিতা, বৰপেটা

২২। সংবাদদাতা ঃ শকুন্তলা কলিতা, গংগা ৰাজবংশী,বৰপেটা

২৩। সংবাদদাতা ঃ শকুন্তলা কলিতা, বৰপেটা

২৪। সংবাদদাতা ঃ শকুন্তলা কলিতা, গংগা ৰাজবংশী, বৰপেটা

২৫। সংবাদদাতা ঃ গুণপ্ৰভা শইকীয়া, শিৱসাগৰ

২৬। সংবাদদাতা ঃ লাৱণ্য বৰা, দেৰগাঁও

২৭। সংবাদদাতা ঃ লাৱণ্য বৰা, দেৰগাঁও

২৮। চন্দ্ৰধৰ বৰুৱাৰ *ৰত্নকোষ*ৰ প্ৰথম খণ্ডত মন্ত্ৰসাহিত্যৰ উদাহৰণসহ এই বাক্‌ভংগীৰ ব্যৱহাৰৰ উল্লেখ পোৱা যায়। যেনে- *হৰ্ বিস্তু হৰ্, আমুকীৰ গেঁৰ খহি পৰ্।*

২৯। প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ *অসমীয়া প্ৰবচন*, পৃ. নং ১৫৭-ত উল্লেখ থকা এই প্ৰবচনটিৰ বিপৰীত এটা প্ৰবচনো অসমীয়া লোকসমাজত পোৱা যায়। যথা ঃ *পোঁৱাতীয়েহে জানে পোঁৱাতীৰ বেদনা।*

৩০। নবীন চন্দ্ৰ শৰ্মাৰ *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা* গ্ৰন্থৰ পৃ. ১৩-ত এই বাকভংগীৰ উল্লেখ এনেদৰে পোৱা যায়— *দুষ্টা স্ত্ৰীৰ নহৈবা ভাই। ঘন পোৱাতিৰ নহৈবা জোঁৱাই।।*

৩১। নবীন চন্দ্ৰ শৰ্মা ঃ *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা*, পৃ. ১-৩

**গ্ৰন্থপঞ্জী ঃ**

**অসমীয়া ঃ**

১। কলিতা, ফুলকুমাৰী ঃ *লোক সাহিত্যৰ ৰহঘৰা ফকৰা-যোজনা*, বৰপেটা, নবীন চন্দ্ৰ কলিতা, দ্বিতীয় প্ৰকাশ, ২০১২

২। গগৈ, লীলা ঃ *নৈ বৈ যায়*, কলিকতা, শ্ৰীভূমি পাবলিচিং কোম্পানী, চতুৰ্থ প্ৰকাশ, ২০০১

৩। বৰুৱা, অতুল চন্দ্ৰ ঃ *ডাকে বোলা শুনা উপায়, মঙ্গলদৈ, প্ৰকাশক ঃ শৰত চন্দ্ৰ হাজৰিকা*, ১৯৬৯

৩। বৰুৱা, চন্দ্ৰধৰ ঃ *ৰত্নকোষ*, প্ৰথম খণ্ড, শৰাইঘাট প্ৰকাশন,২য় প্ৰকাশ,১৯৯৭

৪। — ঃ *ৰত্নকোষ*, দ্বিতীয় খণ্ড, শৰাইঘাট প্ৰকাশন,২য় প্ৰকাশ,১৯৯৮

৫। ৰাজখোৱা, বেণুধৰ ঃ *অসমীয়া খণ্ডবাক্য কোষ*, গুৱাহাটী, বনলতা, ৩য় প্ৰকাশ , ২০২০

৬। ৰাজগুৰু, সৰ্বেশ্বৰ ঃ *অসমীয়া প্ৰবাদ,* নগাঁও, প্ৰকাশক ঃ ৰচক, প্ৰথম প্ৰকাশ ১৯৭২

৭। শইকীয়া, নগেন (সম্পা.)ঃ *বেজবৰুৱা ৰচনাৱলী* (প্ৰথম খণ্ড), গুৱাহাটী, বনলতা, প্ৰথম প্ৰকাশ, ২০১০

৮। — ঃ *অধ্যয়ন বৈচিত্ৰ্য,* গুৱাহাটী, অসম প্ৰকাশন পৰিষদ, ২০১০

৯। শৰ্মা, নবীন চন্দ্ৰ ঃ *ডাক প্ৰবচন আৰু ডাক পৰম্পৰা,* গুৱাহাটী, জ্যোতি প্ৰকাশন, দ্বিতীয় প্ৰকাশ, ২০১২

১০। শৰ্মা, হৰেন্দ্ৰনাথ ঃ *অসমীয়া বচন-ভঙ্গী,* গুৱাহাটী, বাণী প্ৰকাশ মন্দিৰ, ২য় প্ৰকাশ, ২০১৪

১১। হাকাচাম, উপেন ৰাভা ঃ *লক্ষ্মী (লখিমী) ধন-ধান-যশ-ঐশ্বৰ্যৰ দেৱী,* গুৱাহাটী, চন্দ্ৰ প্ৰকাশ, ২০১৮

১২। — ঃ *লোকভাষাৰ প্ৰকৃতি বিচাৰ,* গুৱাহাটী, বিশাল প্ৰকাশন, ২০১৫

১৩। হাজৰিকা, লক্ষী ঃ *ভাষা-সাহিত্য-সংস্কৃতি বীথিকা,* গুৱাহাটী, আঁক-বাক, ২০১১

**বাংলা ঃ**

১। দে, আশিষ কুমার, সনৎ কুমার মিত্র (সম্পা.) ঃ *লোকভাষা,* লোকসংস্কৃতি গবেষণা পরিষদ, কলিকতা, প্ৰথম প্ৰকাশ, ১৯৯৩

**ইংৰাজী ঃ**

1. Ben- Amos, Dan (ed.) : *Folklore Genre*, University of Texas, Austin, 1976

2. Borua, Profulla Chandra ঃ *Assamese Proverbs (অসমীয়া প্ৰবচন)* , Publisher: Self, Rihabari, Guwahati, 1962

3. Dorson, R.M. (ed.): *Folklore & Folklife: An Introduction*, The University of Chicago Press, U.S.A. 1972, P.2

4. Gurdon, P. R : *Some Assamese Proverbs,* (first published 1896), Guwahati, Lawyer's Book Stall First Published, 1985.

5. Handoo, J. and Bottigheimer, R. : *Folklore and Gender,* Zooni Publications, Mysore, 1990

6. Sunderland, Jane : *Language and Gender*, Routledge, 270 Madison Ave, New York, 1st published, 2006,

7.Trudgill, Peter : *Sociolinguistics,* Harmondsworth, England, 1945





ৱেবচাইট ঃ

1.https://www.who.int/data/gho/data/major-themes/health-and-well-being#:~:text=The%20WHO%20constitution%20states%3A%20%22Health,of%20mental%20disorders%20or%20disabilities.

2. https://hfw.assam.gov.in/frontimpotentdata/health-indicators-of-assam

**সমল দাতা ঃ**

| ক্ৰম | নাম | বয়স | ঠিকনা |
|---|---|---|---|
| ১। | হিৰদা কলিতা | ৮৭ | গড়মূৰ, যোৰহাট |
| ২। | শুভলতা কলিতা | ৮৩ | শংকৰপুৰ, যোৰহাট |
| ৩। | গুণপ্ৰভা শইকীয়া | ৭৭ | বলিয়াঘাট, শিৱসাগৰ |
| ৪। | যোগদা হাজৰিকা | ৭৬ | কমাৰগাঁও, দেৰগাঁও |
| ৫। | অণিমা কাকতি | ৫৮ | বামুণবড়ি, ভৱানীপুৰ, বৰপেটা |
| ৬। | শকুন্তলা কলিতা | ৫৮ | কালঝাৰ, বৰপেটা |
| ৭। | গংগা ৰাজবংশী | ৫৭ | কালঝাৰ, বৰপেটা |
| ৮। | নিজুলা দত্ত | ৫৫ | বঙালগাঁও, দেৰগাঁও |
| ৯। | লাৱণ্য বৰা | ৫২ | পদ্মপুৰ, দেৰগাঁও |